**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা**
**মুক্ত শৈক্ষিক সমল**

**শ্ৰেণী ঃ চতুৰ্থ    বিষয় ঃ ভাষা-১ (অসমীয়া)    তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ, ২০১৮) ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীসকলে লিঙ্গ পৰিৱৰ্তনৰ বিষয়ে জানিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলে বিপৰীত অৰ্থ বুজোৱা শব্দ জানিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) অসমৰ কাঁহ শিল্প | - পাঠ নং ৯ |
| খ) বৰদৈচিলা | - পাঠ নং ১০ |
| গ) ব্ৰহ্মপুত্ৰ | - পাঠ নং ১১ |
| ঘ) আজৰি পৰৰ কাম | - পাঠ নং ১২ |

**পাতনি ঃ**

নিম্নোক্ত সামগ্ৰীখিনি প্ৰস্তুত কৰোঁতে 'শিক্ষাৰ অধিকাৰ আইন ২০০৯' অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিঙ্গ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

গুণোৎসৱৰ মূল্যায়ন পৰ্যৱেক্ষণ কৰি দেখা পোৱা গৈছে যে চতুৰ্থ শ্ৰেণীৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও পাঠত থকা বিভিন্ন ব্যাৱহাৰিক ব্যাকৰণৰ বিষয়ে, যেনে - বিপৰীত অৰ্থ বুজোৱা শব্দ, লিংগ পৰিৱৰ্তনৰ বিষয়ে নজনাৰ উপৰি সেইবোৰৰ প্ৰয়োগ কৰিব নোৱাৰে। শিকনৰ এই ধূসৰ ক্ষেত্ৰসমূহ চিনাক্ত কৰি ছাত্ৰ-ছাত্ৰীক এই দিশৰ বিকাশত বিশেষভাৱে যত্ন লোৱা বাঞ্ছনীয়। এই কাৰ্যৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলক যথেষ্ট অনুশীলনৰ প্ৰয়োজন হ'ব। পাঠ্যপুথিত উল্লিখিত অনুশীলন বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে কিছুমান নিজা প্ৰচেষ্টাৰে শিকন পৰিকল্পনা হাতত ল'ব পাৰোঁ। ছাত্ৰ-ছাত্ৰীসকলে ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞান শুদ্ধ ৰূপত আয়ত্ত কৰি যাতে ব্যৱহাৰ কৰিব পাৰে, তাৰ বাবে যথাবিহিত শিকন পৰিকল্পনা, ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰী প্ৰস্তুত কৰা হৈছে।

**ওপৰত উল্লিখিত শিকন ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

⇨ বাক্যত ব্যৱহাৰ হোৱা বিপৰীত অৰ্থ বুজোৱা শব্দ আৰু লিঙ্গ পৰিৱৰ্তনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জানিব। কিয়নো ব্যাৱহাৰিক ব্যাকৰণৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীসকলক ভাষা শিকনৰ চাৰিওটা কৌশল আয়ত্ত কৰাত সহায় কৰিব।

⇨ ব্যাকৰণে বৰ্ণাশুদ্ধি দূৰীকৰণত সহায় কৰে।

⇨ ব্যাকৰণৰ জৰিয়তে ভাষা শুদ্ধকৈ শিকিব পাৰি।

⇨ ব্যাকৰণৰ জৰিয়তে ভাষা শিকনৰ চাৰিওটা কৌশলতে দক্ষতা লাভ কৰিব পাৰিব।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

⇨ এই সমল সামগ্ৰীটোৰ জৰিয়তে ব্যাৱহাৰিক ব্যাকৰণ শ্ৰেণীকোঠাত সফলভাৱে শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয়, সেয়া আমি জানিব পাৰিম।

⇨ ক্রিয়া-কলাপ আৰু অনুশীলনেৰে বিপৰীত অৰ্থ বুজোৱা শব্দৰ বিষয়ে, লিঙ্গ পৰিৱৰ্তন কৰা কৌশল আদিৰ বিষয়ে অৱগত কৰাবলৈ আৰু সেইবোৰ বাক্যত সঠিক ৰূপত প্ৰয়োগ কৰাবলৈ শিকাব পাৰিম।

⇨ এই সমল-সামগ্ৰীৰ সহায়ত শিক্ষণ-শিকন কাৰ্যৰ স্ব-মূল্যায়ন আৰু তুলনামূলক অধ্যয়ন কৰিব পাৰিম।

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

⇨ শিক্ষক-শিক্ষয়িত্ৰীসকলে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বিপৰীত অৰ্থ বুজোৱা শব্দৰ ব্যৱহাৰ কৰোঁতে কৰা ভুলৰ শুধৰণিৰ ওপৰত গুৰুত্ব দিব।

⇨ ছাত্ৰ-ছাত্ৰীসকলৰ লিঙ্গৰ ধাৰণা জন্মাবলৈ কি কি দৃশ্য-শ্ৰাব্য সঁজুলিৰ সহায় লৈ শিক্ষণ-শিকন প্ৰক্ৰিয়া পৰিচালনা কৰিব পাৰি তাৰ ওপৰত গুৰুত্ব দিব।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা তলত সংক্ষেপতে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) বিপৰীত অৰ্থ বুজোৱা শব্দ লিখিব পৰা | ⇨পাঠ্যপুথি অংকুৰণ<br>⇨বগা চাৰ্ট পেপাৰ<br>⇨ পুতলা, বোৰ্ড, পেঞ্চিল, চক পেঞ্চিল | ক্ৰিয়া-কলাপ | ১) তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখা।<br>দিন ভাল তল<br>ওখ পাপ উপকাৰী<br>⇨ শব্দ তালিকাত থকা শব্দবোৰৰ পৰা বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ শৃংখলাবদ্ধভাৱে বাছি উলিওৱা।<br>তীক্ষ্ণ, চুটি, হাঁহি, পৰাজয়, দীঘল, কান্দোন, জয়, ভোটা, দুখ, পোহৰ, সুখ, আন্ধাৰ। | অবিৰত আৰু সামগ্ৰিক মূল্যায়ন |
| ২) লিঙ্গ পৰিৱৰ্তনৰ বিষয়ে জানিব পৰা | ⇨পাঠ্যপুথি অংকুৰণ।<br>⇨ খড়িমাটি।<br>⇨দৃশ্য-শ্ৰাব্য সঁজুলি।<br>⇨ বোৰ্ড। | ক্ৰিয়া-কলাপ | ২) তলত উল্লেখ কৰা 'ক' অংশৰ শব্দৰ লগত 'খ' অংশৰ মিলোৱা<br>'ক' — 'খ'<br>মাক — আইতা<br>পেহা — ছোৱালী<br>ল'ৰা — দেউতাক<br>ককা — পেহী<br>⇨তলত দিয়া শব্দবোৰৰ লিঙ্গ পৰিৱৰ্তন কৰা—<br>ৰজা বুঢ়ী দাদা শিক্ষক | |

**ক্ষেত্ৰ অধ্যয়ন (Case Study)**

মাধৱ গগৈ চতুৰ্থ শ্ৰেণীৰ অসমীয়া ভাষা বিষয় পঢ়োৱা এগৰাকী শিক্ষক। তেখেতে ছাত্ৰ-ছাত্ৰীসকলৰ বিপৰীত অৰ্থ বুজোৱা শব্দ আৰু লিঙ্গ পৰিৱৰ্তনৰ ধাৰণা জন্মাবলৈ তলত দিয়া ধৰণৰ কিছুমান সঁজুলি নিৰ্মাণ কৰি লৈছিল।

ক) বিপৰীত অৰ্থ থকা শব্দৰ তালিকা।

খ) লিঙ্গ পৰিৱৰ্তনৰ শব্দ তালিকা।

গ) শব্দ কাৰ্ড।

ঘ) পাঠ বহিৰ্ভূত শব্দৰ তালিকা।

মাধৱ গগৈয়ে শ্ৰেণীকোঠাত ভাষাৰ ব্যাৱহাৰিক জ্ঞান দিবলৈ গৈ কি কি কৰিলে তেওঁৰ মুখৰ পৰাই শুনো আহঁক—

বিপৰীত অৰ্থ বুজোৱা শব্দ আৰু লিঙ্গ পৰিৱৰ্তনৰ বিষয়ে জ্ঞান প্ৰদান কৰা কাৰ্যৰ আগতে কেইটামান তেওঁলোকে জনা বিপৰীত শব্দ ক'বলৈ দিছিলোঁ। তেনে কৰাত দেখিবলৈ পাইছিলোঁ যে কেইজনমান ছাত্ৰ-ছাত্ৰীয়েহে

শুদ্ধভাৱে উত্তৰ দিব পাৰিছিল। ইয়াৰ পিছত মই শুদ্ধ উত্তৰ দিব পৰা ছাত্ৰ-ছাত্ৰীখিনিক একো একোটা দলৰ দলপতি নিৰ্বাচিত কৰি দিছিলোঁ। দলপতি কেইজনৰ বাহিৰে আন ছাত্ৰ-ছাত্ৰীসকলক ব্লেকবোৰ্ডত লিখিবলৈ কোৱাত তেওঁলোক বিফল হৈছিল। মই পুনৰ ব্লেকবোৰ্ডত বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ উদাহৰণ সহ লিখি বুজাই দিছিলোঁ। ইয়াৰ উপৰি শব্দ কাৰ্ডসমূহ দলপতিসমূহক হাতেৰে ধৰিবলৈ কৈ সমস্বৰে পঠন কৰিবলৈ দিলোঁ। এই পঠন কাৰ্যৰ লগত শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰগৰাকীকো জড়িত হ'বলৈ উৎসাহিত কৰিলোঁ।

ইয়াৰ পিছত 'অসমৰ কাঁহ শিল্প' পাঠটিত থকা বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ বাছি লিখিবলৈ দিছিলোঁ। প্ৰতিটো ছয়জনীয়া দলৰ তিনি চাৰিজনমানে নিজাববীয়াকৈ লিখিলে আৰু বাকী কেইজনক দলপতিয়ে সহায় কৰি দিলে। এই কাৰ্যত প্ৰতিটো দলৰ ছাত্ৰ-ছাত্ৰীয়ে যাতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে তাৰ প্ৰতি মই লক্ষ্য ৰাখিছিলোঁ।

পুনৰ প্ৰতিটো দলৰ পৰা ছাত্ৰ-ছাত্ৰীক ব্লেকবোৰ্ডত শব্দ লিখি দি বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ টোকাবহীত লিখিবলৈ দিলোঁ আৰু ভুল হোৱাবোৰ দলপতিবোৰক শুধৰাই দিবলৈ কলো। মই নিজে সকলোবোৰ নিৰীক্ষণ কৰি আছিলোঁ। এইদৰে শব্দবোৰ শুদ্ধ নোহোৱা পৰ্যন্ত পৰ্যাপ্ত পৰিমাণে অনুশীলন কৰালোঁ। এই কাৰ্যত মই মন কৰিলোঁ যে ব্লেকবোৰ্ডত লিখি শুদ্ধ উত্তৰ দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰীসকল যথেষ্ট উৎসাহিত হৈছিল।

শ্ৰেণীকোঠাত লিঙ্গ পৰিৱৰ্তনৰ ধাৰণা দিবলৈ কিছুমান দৃশ্য-শ্ৰাব্য সঁজুলি, যেনে - ৰঙীন হাত পুতলা (এটা ল'ৰা, এজনী ছোৱালী, মামা-মামী, খুড়া-খুড়ী) আদি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভগাই দি পুংলিংগ আৰু স্ত্ৰীলিংগ চিনাক্ত কৰি তলত ভাগ কৰিবলৈ দিলোঁ।

শেষত ছাত্ৰ-ছাত্ৰীৰ এই জ্ঞানৰ দৃঢ়ীকৰণৰ বাবে শ্ৰেণীকোঠাত থকা ছাত্ৰ-ছাত্ৰীৰ নামসমূহ ব্লেকবোৰ্ডত লিংগ অনুসৰি লিখিবলৈ দিলোঁ। গৃহকৰ্ম হিচাপেও নিজৰ পৰিয়ালৰ সদস্যসমূহৰ লিংগ অনুসৰি নামবোৰ বহীত লিখি আনিবলৈ দিলোঁ।

মই প্ৰথমতে শব্দৰ বিপৰীত অৰ্থৰ ধাৰণা দিবলৈ গৈ তলত দিয়া ধৰণে বিপৰীত শব্দ আৰু তাৰ অৰ্থবোৰ সৰু সৰু কাগজৰ টুকুৰাত লিখি (৫ টা দল অনুসৰি ভগাব পৰাকৈ) দলবোৰত ভগাই দিলোঁ আৰু ছাত্ৰ-ছাত্ৰীবোৰক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত বিপৰীত শব্দবোৰৰ লগত অৰ্থবোৰ মিলাই লিখিবলৈ দিলোঁ। প্ৰতিটো দলৰ মিলোৱা হোৱাৰ পাছত দলৰ দলপতিক ব্লেকবোৰ্ডত বিপৰীত শব্দৰ অৰ্থ লিখিবলৈ দিলোঁ। মই ভুল কৰা শব্দৰ অৰ্থবোৰ শুদ্ধ কৰি প্ৰকৃত শুদ্ধ তালিকাখন ব্লেকবোৰ্ডত এনেদৰে লিখি দিলোঁ।

| শব্দ | বিপৰীত অৰ্থ বাচক শব্দ |
|---|---|
| ভাল | বেয়া |
| সুখ | দুখ |
| সক্ৰিয় | নিষ্ক্ৰিয় |
| অহা | যোৱা |
| আয় | ব্যয় |
| মিঠা | তিতা |
| হাঁহি | কান্দোন |

'ইয়াৰ পিছত ব্লেকবোৰ্ডৰ পৰা সকলোকে লিখিবলৈ দি এজন এজনকৈ পঢ়িবলৈ দিলোঁ আৰু গৃহকৰ্ম হিচাপে কিছুমান শব্দ ব্লেকবোৰ্ডত লিখি বিপৰীত অৰ্থবোৰ লিখি আনিবলৈ দিলোঁ।'

**চিন্তা কৰি চাওঁ আহক ঃ**

শ্ৰেণীকোঠাত মাধৱ গগৈয়ে কৰা দল গঠনৰ দ্বাৰা শিকন কাৰ্যকলাপত ছাত্ৰ-ছাত্ৰীক নিয়োগ কৰাত কি কি সুবিধা হৈছিল ?

- ⇨ তেওঁ কিদৰে ছাত্ৰ-ছাত্ৰীৰ সৈতে অংশীদাৰী পঠন কৰিছিল?
- ⇨ ইয়াৰ বাহিৰেও আমি আন কিবা ব্যৱস্থা কৰিব পাৰোঁ নে?
- ⇨ সঁজুলি, হাতপুতলা ব্যৱহাৰ কৰোঁতে ছাত্ৰ-ছাত্ৰীয়ে আনন্দ পাইছিল নে?

**ক্ৰিয়া-কলাপ ঃ**

ওপৰত বৰ্ণনা কৰা ক্ৰিয়া-কলাপৰ আলমত আমিও তলত দিয়া ধৰণেৰে ক্ৰিয়া-কলাপ কৰি চাওঁ আহক—

**প্ৰস্তুতি ঃ** এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত কাৰ্যকৰী কৰাৰ বাবে তলত দিয়া শিক্ষণ-শিকন সামগ্ৰীসমূহ সংগ্ৰহ কৰি ল'ব লাগিব।

**শিক্ষণ-শিকন সামগ্ৰী ঃ** পাঠ্যপুথি, বগা চাৰ্ট পেপাৰ, ব্লেকবোৰ্ড, চক পেঞ্চিল, নিৰ্দেশক দণ্ড।

ছাত্ৰ-ছাত্ৰীয়ে কিদৰে লিঙ্গ পৰিৱৰ্তন কৰিব লাগে, বিপৰীত অৰ্থবাচক শব্দ কিদৰে বাছি উলিয়াব লাগে, এই বিষয়ে বুজাবলৈ শিক্ষকে বিশেষ পৰিকল্পনা কৰি ল'ব।

প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰি ল'ব। তাৰপাছত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি পাঠ নং ১০,১১, ১২, ১৩ ৰ পৰা ব্লেকবোৰ্ডত কিছু শব্দ লিখি দিব। এই শব্দবোৰৰ পৰা বিপৰীত অৰ্থ বুজোৱা শব্দ আৰু একেদৰে লিঙ্গ পৰিৱৰ্তনৰ বাবেও শব্দবোৰৰ ৰূপ আৰু বানানবোৰো তলত উল্লেখ কৰা ধৰণে ব্লেকবোৰ্ডত লিখি দিব।

উদাহৰণ —

| শব্দ | বিপৰীত অৰ্থবাচক শব্দ |
|---|---|
| দিন | ৰাতি |
| পোহৰ | আন্ধাৰ |
| ভাল | বেয়া |
| ওখ | চাপৰ |
| পাপ | পুণ্য |
| খাল | বাম |

**বিপৰীত লিঙ্গ বুজোৱা শব্দ ঃ**

| স্ত্ৰীলিঙ্গ | পুংলিঙ্গ |
|---|---|
| মা | দেউতা |
| আইতা | ককা |
| শাহু | শহুৰ |
| পেহী | পেহা |
| খুৰী | খুৰা |

ইয়াৰ পাছত প্ৰতিটো দলকে বিপৰীত অৰ্থবাচক শব্দ আৰু বিপৰীত লিঙ্গ বুজোৱা শব্দবোৰ টোকাবহীত বেলেগে বেলেগে লিখিবলৈ দিব।

সিহঁতক শব্দৰ কাৰ্ড কিছুমান দি— কোনটো শব্দৰ বিপৰীত অৰ্থবাচক শব্দ, কোনটো বিপৰীত লিঙ্গবাচক শব্দ — বিচাৰি উলিয়াবলৈ দিব আৰু সেইবোৰ লিখি ল'বলৈ দিব ।

***বিঃদ্ৰঃ - শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।***

**সাৰাংশ ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি থকা বিষয়বোৰ স্পষ্ট হ'ব ।
- ⇨ বিপৰীত অৰ্থবাচক শব্দ, লিঙ্গ পৰিৱৰ্তনৰ বিষয়ে স্পষ্ট হৈ পৰিব।
- ⇨ বিপৰীত অৰ্থ বুজোৱা শব্দবোৰ পাঠৰ পৰা বাছি উলিয়াবলৈ সক্ষম হ'ব।
- ⇨ লিঙ্গ পৰিৱৰ্তন কৰাৰ কৌশল আয়ত্ত কৰিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ** ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁচোন —

**প্ৰশ্ন ঃ** তোমাৰ পাঠ্যপুথিৰ ৯ ,১০, ১১, ১২ নং পাঠত থকা বিপৰীত অৰ্থ বুজোৰা শব্দবোৰ বাছি উলিওৱা ।

**প্ৰশ্ন ঃ** তোমাৰ পাঠ্যপুথিত থকা 'বৰদৈচিলা' কবিতাটি পাঠ কৰি পুংলিঙ্গ শব্দবোৰ বাছি উলিওৱা।

**অনুশীলন ঃ**

⇨ তলত দিয়া শব্দবোৰৰ বিপৰীত অৰ্থ বুজোৰা শব্দ লিখা —

| | | | | | |
|---|---|---|---|---|---|
| সৰু | ভিতৰ | তল | জয় | উপকাৰী | পুৰস্কাৰ |

⇨ শব্দ তালিকাত থকা শব্দবোৰৰ পৰা বিপৰীত অৰ্থ বুজোৰা শব্দবোৰ শৃংখলাবদ্ধভাৱে বাছি উলিওৱা।

তীক্ষ্ণ, চুটি, হাঁহি, পৰাজয়, দীঘল, কান্দোন
জয়, ভোটা, দুখ, পোহৰ, সুখ, আন্ধাৰ

⇨ তলত উল্লেখ কৰা 'ক' অংশৰ শব্দৰ লগত 'খ' অংশৰ শব্দ মিলোৱা —

| **'ক'** | **'খ'** |
|---|---|
| মাক | আইতা |
| পেহা | ছোৱালী |
| ল'ৰা | দেউতাক |
| ককা | পেহী |
| বৰমা | জেঠী |
| জেঠা | বৰদেউতা |

⇨ তলত দিয়া শব্দবোৰৰ লিঙ্গ পৰিৱৰ্তন কৰা —
ৰজা, বুঢ়ী, দাদা, শিক্ষক

**প্ৰসঙ্গ টোকাঃ**

⇨ পাঠ্যপুথি - অংকুৰণ।
⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ - ড° গোলোক চন্দ্ৰ গোস্বামী।
⇨ হেমকোষ, চন্দ্ৰকান্ত অভিধান।
⇨ অসমীয়া মাতৃভাষা শিক্ষণ পদ্ধতি - হলিৰাম দাস।

****